**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000
**Date : 08-11-2025** **Time : 1340 Hrs**

***Assamese Midday Bulletin***
***Headlines***

----------------------------

১। লোকসভাত আজি ৰাষ্ট্ৰীয় গীত **বন্দে মাতৰম**ৰ ১৫০ বছৰ সম্পূৰ্ণ হোৱাৰ সন্দৰ্ভত বিশেষ আলোচনা অনুষ্ঠিত হৈছে।

২। লালকিল্লাত আজিৰেপৰা বিমূৰ্ত সাংস্কৃতিক ঐতিহ্যৰ সুৰক্ষাৰ বাবে আন্তঃ চৰকাৰী সমিতিৰ বিংশ অধিৱেশন অনুষ্ঠিত হৈছে।

৩। দেশৰ নাগৰিকসকলক ই-পেন কাৰ্ড ডাউনল'ড কৰিবলৈ আহ্বান জনোৱা বুলি প্ৰচাৰিত এটা ই-মেইলৰ সত্যতা কেন্দ্ৰীয় চৰকাৰে অস্বীকাৰ কৰিছে।

৪। বিগত তিনিটা বৰ্ষত অসমকে ধৰি উত্তৰ পূৰ্বাঞ্চলত এম জি এনৰেগাৰ প্ৰায় ১১ লাখ ৭৬ হাজাৰ জব কাৰ্ড বিভিন্ন কাৰণত বাতিল কৰা হৈছে।

*আৰু*

৫। কেন্দ্ৰীয় চৰকাৰে যোৱা ১১ বছৰত হিতাধিকাৰীসকলক ৭ হাজাৰ ৬৪১ কোটি টকা বিতৰণ কৰিছে বুলি সংখ্যালঘু পৰিক্ৰমা ৰাজ্য মন্ত্ৰী জৰ্জ কুৰিয়ানে ৰাজ্যসভাত প্ৰকাশ কৰিছে।

০০০০০০

লোকসভাত আজি ৰাষ্ট্ৰীয় গীত **বন্দে মাতৰম**ৰ ১৫০ বছৰ সম্পূৰ্ণ হোৱাৰ সন্দৰ্ভত বিশেষ আলোচনা অনুষ্ঠিত হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই আলোচনা আৰম্ভ কৰে। শ্ৰী মোদীয়ে আলোচনাত অংশ লৈ কয়, যে এই আলোচনাই সদনৰ দায়বদ্ধতাক প্ৰতিফলিত কৰাৰ লগতে পৰৱৰ্তী প্ৰজন্মসমূহক দেশাত্মবোধেৰে উদ্বুদ্ধ কৰিব। তেওঁ কয়, যে এই গীতে দেশৰ স্বাধীনতা আন্দোলনক শক্তি দিয়াৰ লগতে মাৰ্গ দৰ্শন কৰাইছিল। এই বিষয়টো লৈ আলোচনা কৰাটো সংসদৰ প্ৰতিগৰাকী সদস্যৰ বাবে গৰ্ব আৰু সৌভাগ্যৰ বিষয় বুলিও প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। এই আলোচনাই ইতিহাসৰ স্মৰণীয় ঘটনাসমূহক সকলোৰে সন্মুখত উজ্জ্বল কৰি তোলাৰ লগতে নতুন প্ৰজন্মৰ বাবে পাথেয় হ'ব বুলিও প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। বংকিমচন্দ্ৰ চট্টোপাধ্যায়ৰ এই অবিস্মৰণীয় সৃষ্টিয়ে ঔপনিবেশিক ব্ৰিটিছ চৰকাৰৰ বংগ বিভাজন নীতিকো ওফৰাই দিবলৈ জনসাধাৰণক উৎসাহিত কৰিছিল বুলি তেওঁ উল্লেখ কৰে। বন্দে মাতৰম কেৱল এটা গীত নহয়, বৰং স্বাধীনতা সংগ্ৰামীসকলক ত্যাগ আৰু একাগ্ৰতাৰে নিজৰ পথত অগ্ৰসৰ হোৱাৰ প্ৰেৰণা যোগোৱা শক্তিশালী মন্ত্ৰ আৰু শ্ল'গান আছিল বুলিও তেওঁ মন্তব্য কৰে। এই আলোচনাৰ বাবে ১০ ঘণ্টা সময় দিয়া হৈছে। লোকসভাৰ অধ্যক্ষ ওম বিৰলাৰ অধ্যক্ষতাত পূৰ্বে অনুষ্ঠিত সৰ্বদলীয় বৈঠকতে আজি **বন্দে মাতৰম** আৰু কাইলৈ ভোটাৰ তালিকাৰ সংশোধনী সন্দৰ্ভত আলোচনা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱা হৈছিল।

ৰাজ্যসভাত **বন্দে মাতৰম**ৰ ডেৰশ বছৰ পূৰ্ণ হোৱা উপলক্ষে কাইলৈ আলোচনা অনুষ্ঠিত হ'ব।

০০০০০০০০

নতুন দিল্লীৰ লালকিল্লাত আজিৰেপৰা বিমূৰ্ত সাংস্কৃতিক ঐতিহ্যৰ সুৰক্ষাৰ বাবে আন্তঃ চৰকাৰী সমিতিৰ বিংশ অধিৱেশন অনুষ্ঠিত হৈছে। UNESCO-ত ভাৰতৰ ৰাষ্ট্ৰদূত আৰু স্থায়ী প্ৰতিনিধি বিশাল ভি শৰ্মাই এই কাৰ্যসূচীত অধ্যক্ষতা কৰিছে। ভাৰতে এই মহোৎসৱৰ বাবে দীপাৱলী উৎসৱক মনোনীত কৰিছে। পোহৰৰ এই উৎসৱে বিশ্ব ভাতৃত্ববোধ আৰু পাৰস্পৰিক সহমৰ্মিতাৰ মাধ্যমেৰে একগোট হৈ উৎসৱ উদযাপনৰ মানসিকতাক প্ৰতিফলিত কৰে বুলি চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে। কেন্দ্ৰীয় সংস্কৃতি আৰু

পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটে কয় যে এই প্ৰস্তাৱ ইয়াৰ পূৰ্বে কেইবাখনো স্বতন্ত্ৰ সমিতিয়ে পৰ্যালোচনা কৰিছে আৰু ইয়াৰ ইতিবাচক ফল পোৱা যাব বুলি তেওঁ উল্লেখ কৰিছে। ছদিনীয়া এই অধিৱেশনত প্ৰস্তাৱিত এনেধৰণৰ উৎসৱসমূহ UNESCO-ৰ তালিকাভুক্ত কৰা হ'ব। কালি লালকিল্লাত এই মহোৎসৱৰ উদ্বোধনী অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত অংশ লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আধুনিকীকৰণ আৰু নগৰীকৰণে সাংস্কৃতিক বান্ধোনক বিচ্ছিন্ন কৰাৰ পৰিৱৰ্তে ভাৰতীয় সংস্কৃতিক শক্তিশালী কৰিছে বুলি প্ৰকাশ কৰে। ভাৰতৰ **বিকাশ ভী, বিৰাসত ভী** মূলমন্ত্ৰই এই প্ৰতিশ্ৰুতিকে সুনিশ্চিত কৰিছে বুলি প্ৰধানমন্ত্ৰী মোদীয়ে উল্লেখ কৰে। শ্ৰীমোদীয়ে কয়, যে কোনো পৰম্পৰা, শিল্পী, অথবা সম্প্ৰদায় যাতে চৰকাৰৰ সমৰ্থনৰ পৰা বঞ্চিত নহয়, সেয়া সুনিশ্চিত কৰা হৈছে।

অনুষ্ঠানত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰে নিজৰ ভাষণত হায়দৰাবাদ আৰু লক্ষ্ণৌৰ দৰে ঐতিহ্যমণ্ডিত চহৰসমূহ UNESCO-ৰ ঐতিহ্যৰ তালিকাত অন্তৰ্ভুক্ত হোৱাটোক লৈ সন্তুষ্টি প্ৰকাশ কৰে।

উল্লেখযোগ্য যে ভাৰতে এইবাৰ বিমূৰ্ত সাংস্কৃতিক ঐতিহ্যৰ সুৰক্ষাৰ বাবে থকা আন্তঃচৰকাৰী সমিতিৰ বিংশ অধিৱেশনৰ আয়োজন কৰিছে। ১৩ ডিচেম্বৰত এই অধিৱেশনৰ সামৰণি পৰিব। ভাৰতে এই বছৰ ইউনেস্ক'ৰ বিমূৰ্ত সাংস্কৃতিক ঐতিহ্য তালিকাত অন্তৰ্ভুক্তিৰ বাবে পোহৰৰ উৎসৱ দীপাৱলীক মনোনীত কৰিছে।

০০০০০০

চৰকাৰে দেশৰ নাগৰিকসকলক ই-পেন কাৰ্ড ডাউনল'ড কৰিবলৈ আহ্বান জনোৱা বুলি বহুলভাৱে প্ৰচাৰিত এটা ই-মেইলৰ সত্যতা কেন্দ্ৰীয় চৰকাৰে অস্বীকাৰ কৰিছে। প্ৰেছ ইনফৰমেশ্যন ব্যুৰো পি আই বিৰ তথ্য পৰীক্ষণ গোটে এই ই-মেইলটোক ভিত্তিহীন বুলি অভিহিত কৰিছে। নাগৰিকসকলক তেওঁলোকৰ বিত্তীয় তথা আন যিকোনো ধৰণৰ সংবেদনশীল তথ্যৰ বিষয়ে জানিবলৈ বিচৰা এনে ধৰণৰ ই-মেইল তথা লিংক, ফোনকল আৰু এছ এম এছৰ প্ৰতি সঁহাৰি নজনাবলৈকো গোটটোৱে সকলোকে আহ্বান জনাইছে।

০০০০০০

দেশৰ মুঠ প্ৰতিৰক্ষা উৎপাদন ২০১৪ চনৰ ৪৬ হাজাৰ কোটি টকাৰ পৰা বৰ্তমান ১ লাখ ৫১ হাজাৰ কোটি টকালৈ বৃদ্ধি পাইছে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে এই তথ্য প্ৰকাশ কৰি কয়, যে প্ৰতিৰক্ষা খণ্ডত পূৰ্বে আমদানিৰ ওপৰত নিৰ্ভৰশীল হৈ থকা দেশখনে সম্প্ৰতি থলুৱাভাৱে নিৰ্মিত প্ৰতিৰক্ষা সামগ্ৰী ৰপ্তানি কৰাৰ সামৰ্থ্য আহৰণ কৰিছে। বিগত দশকটোত কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা বহনক্ষণ প্ৰয়াসৰ বাবেই এইটো সম্ভৱ হৈছে বুলি শ্ৰীসিঙে মত প্ৰকাশ কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দূৰদৰ্শনৰ **সুপ্ৰভাতম** শীৰ্ষক অনুষ্ঠানটোক প্ৰশংসা কৰিছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰীমোদীয়ে কয় যে এই অনুষ্ঠানটোৱে নিচেই পুৱাতে দৰ্শকসকলৰ মনত সতেজতাৰ সৃষ্টি কৰে। ভাৰতীয় পৰম্পৰা আৰু মূল্যবোধৰ ওপৰত ভিত্তি কৰি প্ৰস্তুত কৰা তথা যোগাসনৰ পৰা ভাৰতীয় জীৱন পদ্ধতিকে ধৰি বিভিন্ন বিষয় সামৰি লৈ মত-বিনিময়ৰ জৰিয়তে উপস্থাপন কৰা এই অনুষ্ঠানটিক জ্ঞান, অনুপ্ৰেৰণা আৰু ইতিবাচক চিন্তাৰ সমাহাৰ বুলি তেওঁ অভিহিত কৰে।

০০০০০০০

বিগত তিনিটা বৰ্ষত অসমকে ধৰি উত্তৰ পূৰ্বাঞ্চলৰ ৮খন ৰাজ্যত মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিতকৰণ আঁচনিৰ প্ৰায় ১১ লাখ ৭৬ হাজাৰ জব কাৰ্ড বিভিন্ন কাৰণত বাতিল কৰা হৈছে। ইয়াৰ ভিতৰত অসমত সৰ্বাধিক ১০ লাখ ১৫ হাজাৰ ৫০০খন জব কাৰ্ড বাতিল কৰা হৈছে। উল্লেখযোগ্য যে এম জি এনৰেগাৰ অধীনত জব কাৰ্ডকে ধৰি আঁচনিখনৰ বিভিন্ন দিশসমূহ ৰূপায়ণ কৰাটো ৰাজ্য চৰকাৰৰ দায়িত্ব। ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহে নিয়মীয়াকৈ জব কাৰ্ডৰ তথ্য পৰীক্ষা কৰে। তথ্য পৰীক্ষাৰ সময়ত ভুৱা বা নকল জব কাৰ্ড, কাম কৰিবলৈ আগ্ৰহ নথকা পৰিয়াল, গাঁও পঞ্চায়তৰ পৰা স্থায়ীভাৱে আঁতৰি যোৱা পৰিয়াল আদি বিভিন্ন কাৰণত জব কাৰ্ডসমূহ নাকচ হ'ব পাৰে। অসমত ২০২২-২৩ আৰু ২০২৪-২৫

বিত্তীয় বৰ্ষৰ ভিতৰত ১০ লাখ ১৫ হাজাৰ ৫০০খন জব কাৰ্ড বাতিল কৰা হয়। ইপিনে, অৰুণাচল প্ৰদেশত এই সময়ছোৱাত ৩৭ হাজাৰ ৩৯৫খন জব কাৰ্ড বাতিল কৰা হৈছে।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰে দেশৰ শিখ সম্প্ৰদায়কে ধৰি বিভিন্ন সংখ্যালঘু সম্প্ৰদায়ৰ কল্যাণৰ বাবে ভালেসংখ্যক আঁচনি ৰূপায়ণ কৰিছে বুলি সংখ্যালঘু পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী জৰ্জ কুৰিয়ানে আজি ৰাজ্যসভাত প্ৰকাশ কৰে। এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে কয়, যে মন্ত্ৰালয়ে সংখ্যালঘু বসতিপ্ৰধান অঞ্চলসমূহত শিক্ষা, স্বাস্থ্য, দক্ষতা আৰু মহিলা সৱলীকৰণৰ বাবে বিভিন্ন পদক্ষেপ লৈছে। এনে আঁচনিসমূহৰ অধীনত আন্তঃগাঁথনি উন্নয়নৰ বাবে ১১ বিধৰো অধিক সম্পদ সৃষ্টিত অনুমোদন জনোৱা হৈছে। তদুপৰি ২৬ হাজাৰ ২৩৭ কোটি টকাৰো অধিক ব্যয়েৰে ৯ লাখৰো অধিক উন্নয়নমূলক গোট সৃষ্টি কৰা হৈছে বুলি তেওঁ কয়। পি এম বিকাশ কাৰ্যসূচীৰ অধীনত শিখ' ঔৰ কমাও', নয়ী মঞ্জিল নয়ী ৰৌশনি হমাৰি ধৰোহৰ আৰু ওস্তাদ – এই পাঁচখন আঁচনি ৰূপায়ণ কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ কয়, যে আঁচনিসমূহৰ অধীনত যুৱক-যুৱতীসকলৰ দক্ষতা আৰু উদ্যমিতা বিকাশৰ বাবে প্ৰশিক্ষণ দিয়াৰ লগতে স্কুলীয়া শিক্ষা আধৰুৱা কৰা ল'ৰা-ছোৱালীক শিক্ষাৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়োৱা হয়। তেওঁ কয়, যে যোৱা ১১ বছৰত ৰাষ্ট্ৰীয় সংখ্যালঘু উন্নয়ন আৰু বিত্ত নিগমে হিতাধিকাৰীসকলক ৭ হাজাৰ ৬৪১ কোটি টকা বিতৰণ কৰিছে।

০০০০০০০

ৰাজ্যসভাত আজি মিজোৰামৰ প্ৰাক্তন ৰাজ্যপাল স্বৰাজ কৌশলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদন কৰা হয়। ভূতপূৰ্ব ৰাজ্যপালগৰাকীৰ যোৱা ৪ ডিচেম্বৰত দেহাৱসান ঘটে। আজি দিনৰ ১১ বজাত সদন মিলিত হোৱাৰ সময়ত ৰাজ্যসভাৰ সভাপতি চি পি ৰাধাকৃষ্ণণে তেওঁৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি কয় যে স্বৰাজ কৌশলৰ বিয়োগত দেশে এগৰাকী সহানুভূতিশীল ব্যক্তি, আইন কানুনৰ বিশেষজ্ঞ তথা সুদক্ষ প্ৰশাসকক হেৰুৱালে। তেওঁ ১৯৯৮ চনৰ পৰা ২০০৪ চনলৈ হাৰিয়ানাৰ পৰা ৰাজ্যসভাৰ সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল বুলিও শ্ৰীৰাধাকৃষ্ণণে উল্লেখ কৰে। উচ্চ সদনৰ সদস্যসকলে মৌনতা অৱলম্বন কৰি প্ৰাক্তন ৰাজ্যপাল কৌশলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে।

০০০০০০০

ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান আই আই টি জম্মুত আজি আৰু কাইলৈ স্মাৰ্ট ইণ্ডিয়া হেকাথনৰ ২০২৫ বৰ্ষৰ ছফ্টৱেৰৰ সংস্কৰণৰ গ্ৰেণ্ড ফিনালে অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে আই আই টি জম্মুৱে এইবেলি একেৰাহে দ্বিতীয়বাৰৰ বাবে উদ্ভাৱন আৰু প্ৰযুক্তিৰ এই ৰাষ্ট্ৰজোৰা সন্মানজনক অনুষ্ঠানৰ আয়োজন কৰিছে। দেশৰ সম্ভাৱনাপূৰ্ণ যুৱ উদ্ভাৱকসকলে ইয়াত অংশগ্ৰহণৰ জৰিয়তে নিজৰ নিজৰ সৃষ্টিশীল প্ৰতিভা, উৎসাহ তথা লক্ষ্যত উপনীত হোৱাৰ সংকল্পৰে বাস্তৱ পৃথিৱীৰ প্ৰত্যাহ্বানসমূহৰ সন্মুখীন হ'বলৈ প্ৰস্তুত হৈছে। চূড়ান্ত পৰ্যায়ৰ এই প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে মুঠ কুৰিটা দলক নিৰ্বাচিত কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই অনুষ্ঠানত ভাষণ দিয়াৰ লগতে গ্ৰেণ্ড ফিনালেৰ অংশগ্ৰহণকাৰীসকলৰ সৈতে মত-বিনিময় কৰিব।

০০০০০০০

**সমাপ্ত**